NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। ভাৰত আৰু চীনে পাৰস্পৰিক স্বাৰ্থৰ প্ৰতি সন্মান জনাবলৈ সন্মতি প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিকছ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী কাৰ্য্য-কলাপৰ বাবে পুঁজি যোগানৰ ঘটনাৰ সন্মুখীন হোৱাৰ বাবে ঐক্যবদ্ধভাৱে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

৩। ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফে ডানা নামৰ ঘূৰ্ণী বতাহজাকে ভূভাগত খুন্দা মৰাৰ পূৰ্বে ওড়িশাত বাহিনীটোৰ ২০ টা আৰু পশ্চিমবঙ্গত ১৩ টা দল নিয়োগ কৰিছে।

৪। কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধীয়ে আজি কেৰালাৰ ৱায়নাড সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰে।

***আৰু***

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ পুণেত অনুষ্ঠিত হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্য্যালোচনা চলায়। প্ৰধানমন্ত্ৰীৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে, বৈঠকত শ্ৰীমোদীয়ে মতানৈক্যই সম্পৰ্ক ব্যাহত কৰিব নালাগে বুলি মন্তব্য কৰে। তেওঁ কয় যে, দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থৰ প্ৰতি সন্মান জনাবলৈ সন্মতি প্ৰকাশ কৰিছে। দুয়োখন দেশে সীমান্ত এলেকালৈ শান্তি-সম্প্ৰীতি ঘূৰাই অনাৰ বাবে কৌশলগত যোগাযোগ বৃদ্ধিৰ সপক্ষে মত পোষণ কৰিছে বুলি বিদেশ সচিবগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিকছ্ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী কাৰ্য্য-কলাপৰ বাবে পুঁজি যোগানৰ ঘটনাৰ সন্মুখীন হোৱাৰ বাবে ঐক্যবদ্ধভাৱে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে, এনেধৰণৰ গুৰুতৰ বিষয়ত দ্বৈত নৈতিকতাৰ স্থান নাই। ৰাছিয়াৰ কাজানত অনুষ্ঠিত যোড়শ ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দি শ্ৰীমোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ যুৱ প্ৰজন্মক মৌলবাদৰ প্ৰতি আকৰ্ষিত কৰাটো ৰোধ কৰাৰ বাবে সক্ৰিয় পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ বিষয়ক সৰ্বাত্মক চুক্তি বিবেচনাধীন হৈ থকাৰ কথাও উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, চাইবাৰ সুৰক্ষা সুৰক্ষিত আৰু নিৰাপদ কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে গোলকীয় নীতি-নিয়ম সন্দৰ্ভত কাম কৰাৰ আৱশ্যকতা আছে। আজিৰ প্ৰযুক্তিৰ যুগত চাইবাৰ সুৰক্ষা, ডীপ ফেক আৰু ভুল তথ্যৰ প্ৰচাৰৰ ন ন প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ প্ৰতি প্ৰত্যাশা বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে, বিশ্ব যুদ্ধ, সংঘৰ্ষ, অৰ্থনৈতিক অনিশ্চয়তা, জলবায়ু পৰিৱৰ্তন আৰু সন্ত্ৰাসবাদৰ লেখিয়া অলেখ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়তে এইবাৰৰ ব্ৰিকছ্ সন্মিলন অনুষ্ঠিত হৈছে।

-বাইট-

বিশ্বত উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰ তথা প্ৰাচ্য আৰু পাশ্চাত্যৰ দেশসমূহৰ মাজত বিভাজনক লৈ চৰ্চা হৈছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে, ভাৰতে আলোচনা আৰু কূটনীতিৰ পোষকতা কৰে, যুদ্ধৰ নহয়। তেওঁ লগতে কয় যে, ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ সুৰক্ষিত, শক্তিশালী আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ সামৰ্থ্য আছে। ব্ৰিকছ্ ৰাষ্ট্ৰসমূহে একেলগে কোভিড নাইণ্টিনক পৰাজিত কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে, মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰাৰ লগতে খাদ্য, শক্তি, স্বাস্থ্য আৰু জল-সম্পদৰ সুৰক্ষা সুনিশ্চিত কৰাটো সকলো ৰাষ্ট্ৰৰে অগ্ৰাধিকাৰৰ বিষয়। শ্ৰীমোদীয়ে কয় যে, ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে বৈচিত্ৰ্যপূৰ্ণ আৰু সৰ্বাত্মক মঞ্চ হিচাপে সকলো বিষয়ত ইতিবাচক ভূমিকা পালন কৰিব পাৰে। এই বিষয়বোৰৰ সমাধানৰ ক্ষেত্ৰত দৃষ্টিভংগী জন-সাধাৰণকেন্দ্ৰিক হোৱা উচিত বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠী বিভাজনকাৰী নহয়, বৰং জনস্বাৰ্থৰহে গোট বুলি সংস্থাটোৱে বিশ্বক বাৰ্তা দিব লাগে। তেওঁ লগতে কয় যে, ভাৰতে ব্ৰিকছৰ সহযোগী হিচাপে নতুন ৰাষ্ট্ৰক আদৰণি জনাবলৈ সাজু আৰু এই দিশত সৰ্ব সন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা উচিত। তেওঁ লগতে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদ, বহুমুখী উন্নয়ন বেংক আৰু বিশ্ব বাণিজ্য সংস্থাৰ লেখিয়া গোলকীয় প্ৰতিষ্ঠানসমূহৰ সংস্কাৰৰ বাবে সময়সাপেক্ষ পদক্ষেপ ল'ব লাগে বুলি মন্তব্য কৰে।

পাছত শ্ৰীমোদীয়ে কয় যে, বিশ্বৰ মুঠ জনসংখ্যাৰ ৪০ শতাংশই ব্ৰিকছ্ ৰাষ্ট্ৰসমূহত বাস কৰে আৰু বিশ্বৰ অৰ্থনীতিত এই ৰাষ্ট্ৰসমূহৰ অৱদান প্ৰায় ৩০ শতাংশ। ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠী বিগত দুটা দশকত ভালেমান লক্ষ্যত উপনীত হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে সংস্থাটোক অনাগত সময়ত গোলকীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ফলপ্ৰসূ মাধ্যমৰূপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি দেশৰ ইন্ধনৰ আমদানি শীঘ্ৰেই হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে, বৰ্তমান প্ৰতি বছৰে ২২ লাখ কোটি টকা মূল্যৰ

ইন্ধন আমদানি কৰা হয়। নতুন দিল্লীত অনুষ্ঠিত অষ্টাদশ অভিযান্ত্রিক সম্পদ ব্যৱস্থাপনাৰ বিশ্ব সন্মিলনত ভাষণ দি মন্ত্রীগৰাকীয়ে কয় যে, ভাৰতক ৫ হাজাৰ কোটি ডলাৰৰ অৰ্থনীতিলৈ ৰূপান্তৰ কৰোৱাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন পূৰণ কৰিবলৈ প্ৰযুক্তি হৈছে মূল চাবিকাঠি। শ্ৰীগাডকাৰীয়ে প্ৰয়োজনভিত্তিক গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সম্পত্তিৰ মান বজাই ৰখাৰ ব্যৱস্থা গঢ়ি তোলাৰ পৰামৰ্শ দিয়ে।

০০০০০০০০০

ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফে ডানা নামৰ ঘূৰ্ণী বতাহজাকে ভূভাগত খুন্দা মৰাৰ পূৰ্বে ওড়িশাত বাহিনীটোৰ ২০ টা আৰু পশ্চিমবঙ্গত ১৩ টা দল নিয়োগ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ উপ-মহাপৰিদৰ্শক মহচেন চাহিদে কয় যে, পশ্চিমবঙ্গত যিকোনো পৰিস্থিতিৰ জোৰা মৰাৰ বাবে চাৰিটা দল সাজু কৰি ৰখা হৈছে। অন্ধ্ৰপ্ৰদেশৰ ৰিজাকতো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীচাহিদে কয় যে, ছত্তীশগড় আৰু ঝাৰখণ্ডতো সম্ভাব্য পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে বাহিনীটোৰ কেইবাটাও দল সাজু কৰি ৰখা হৈছে।

০০০০০০০০০

কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধীয়ে আজি কেৰালাৰ ৱায়নাড সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰে। ১৩ নৱেম্বৰত চেলক্কাৰা সংৰক্ষিত আৰু পলক্কড় বিধানসভা সমষ্টিৰ লগতে ৱায়নাড সংসদীয় সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ অৰ্থনৈতিক উপদেষ্টা আৰ কে জেনাই আজি কৈছে যে, দেশৰ ২৩৪ খন চহৰত ৭৩০ টা ব্যক্তিগত এফ এম চেনেল মুকলি কৰা হ'ব। ৰাঁচীত সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি তেওঁ কয় যে, ছখন জিলা- বোকাৰো, দেওঘৰ, ধানবাদ, গিৰিদিহ, হাজাৰীবাগ আৰু মেদিনী নগৰত ১৯ টা এফ এম চেনেল মুকলি কৰা হ'ব। শ্ৰী জেনাই কয় যে, এফ এম ৰেডিঅ' চেনেল মুকলি কৰিবলৈ নিলামী প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰ বাবে আবেদনৰ অন্তিম দিন অহা ১৮ নৱেম্বৰ ধাৰ্য্য কৰা হৈছে।

০০০০০০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনীঅ' গুটেৰেছে সংশোধিত আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিকাঠামোৰ হকে আহ্বান জনাইছে। শ্ৰীগুটেৰেছে লগতে আফ্ৰিকালৈ উন্নয়ন প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে ব্যাপক অৰ্থনৈতিক সাহায্য প্ৰদান কৰাৰ আৱশ্যকতাৰ বিষয়ে আলোকপাত কৰিছে। শ্ৰীগুটেৰেছে কয় যে, উন্নয়নশীল ৰাষ্ট্ৰসমূহক অধিক কণ্ঠ আৰু শক্তি প্ৰদান কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পৰিকাঠামোৰ শুধৰণি অপৰিহাৰ্য্য হৈ পৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ

মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। ২৫ অক্টোবৰ পৰ্য্যন্ত লাভ কৰা দিহা-পৰামৰ্শসমূহ বিবেচনাযোগ্য হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল। ভাৰত সম্প্ৰতি শৃংখলাৰ ১-০ৰ ফলাফলত পাছ পৰি আছে।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে নিউজিলেণ্ডৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনে আঘাতৰ বাবে এইখন খেলত অংশগ্ৰহণ কৰিব নোৱাৰিব।

০০০০০০০০০

ভাৰত আজি নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ নেশ্যনেল ষ্টেডিয়ামত অনুষ্ঠিত দ্বিপাক্ষিক শৃংখলাৰ প্ৰথমখন খেলত জাৰ্মানীৰ হাতত ০-২ গ'লত পৰাজিত হয়। জাৰ্মানীৰ হৈ হেনৰিক মে'ৰ্টজেনছ আৰু অধিনায়ক লুকাচ উইনফেডাৰে গ'ল দিয়ে।

০০০০০০০০০

সমাপ্ত